## দিনটোৰ বাণী

আমি অনুভৱ কৰিব পৰা আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ৰহস্য। সকলো প্ৰকৃত কলা আৰু বিজ্ঞানৰ ইয়ে হ'ল উৎস।

— এলবাৰ্ট আইনষ্টাইন


# অসম আদিত্য

পঞ্চম বছৰ ■ সংখ্যা ৯০ ■ ২০ চ'ত, ১৯৪৪ শক ■ মঙলবাৰ, ৪ এপ্ৰিল, ২০২৩ ■ Asom Aditya, Dibrugarh, Tuesday, April 4, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

RN

Por
e-m


**স্নেহবন্ধন, কানৈ, নলবাৰীৰ এম এন চি বালিকা মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত বিশিষ্ট ছফ্‌টৱেৰ বিশেষজ্ঞ**

# জাৰ্মানত সকলোৱে সময়ক সন্মান কৰে ঃ শাশ্বত কুমাৰ দাস

**ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ** 'সময়ক শ্ৰদ্ধা আৰু সন্মান জনাব পৰা ক্ষমতা আহৰণ কৰিব পাৰিলেই সকলোৱে আগুৱাই যাব পাৰে। জাৰ্মানীত কৰ্মচাৰীসকলে ৮ ঘণ্টা কামৰ সময়ত কেৱল কামহে কৰে। সেই সময়ছোৱাৰ ভিতৰত কোনেও কাৰো স'তে অযথা ফোনকল নকৰে, আনকি ব্যক্তিগত কথাও আলোচনা নকৰে, কোনোৱেও আড্ডা দি সময় নষ্ট নকৰে। সকলো কৰ্মচাৰীয়ে সময়ক অতি উচ্চ স্থান দি সন্মান কৰে।'— জাৰ্মানীৰ বিশিষ্ট ছফ্‌টৱেৰ অভিযন্তা, অসমৰ সুসন্তান শাশ্বত কুমাৰ দাসে এইদৰে কয়। স্নেহবন্ধন, ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু নলবাৰীৰ এম এন চি বালিকা মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'জাৰ্মানীৰ কৰ্মসংস্কৃতি আৰু জীৱনবোধ' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি তেওঁ কয়— জাৰ্মানীত মানুহৰ জীৱনবোধ আন বহু দেশত কৈ উচ্চ খাপৰ। তেওঁ আৰু কয়— জাৰ্মানীত থাকি এক অনন্য অভিজ্ঞতা লাভ কৰিছোঁ। জাৰ্মানীত তেওঁ থকা সময়ছোৱাত কোনো দিনেই বিদ্যুৎ কৰ্তন, পানী যোগান আদি ব্যাহত হোৱা দেখা নাই। আৰক্ষীৰ ব্যৱহাৰ, আচৰণ অতি প্ৰশংসনীয় বুলি উল্লেখ কৰি কয়— জাৰ্মানীত কামৰ বিনিময়ত ঘোচ দিয়া বা লোৱা কোনো দিনেই শুনা নাই। জাৰ্মানীত মন্ত্ৰী কনভয় কোনো দিনে দেখা নাই বুলি উল্লেখ কৰি কয়— আনকি জাৰ্মানীত দীৰ্ঘদিন ধৰি থকা সময়ছোৱাত কোনো মাতালৰ কাজিয়া-পেচাল শুনা নাই। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা পিনাক্ষী কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত দাসে কয়— জাৰ্মানীত পথ দুৰ্ঘটনাও কম। সৰুৰে পৰা জাৰ্মানত সন্তানক কেনেকৈ পথ অতিক্ৰম কৰিব লাগে, কেনেকৈ যান-বাহন আইন মানি চলিব লাগে, ৰাজহুৱা সম্পদক কিয় ভাল পোৱা উচিত, তেনে শিক্ষা দিয়া হয়। ছফ্‌টৱেৰ বিশেষজ্ঞ দাসে বিশেষভাৱে উল্লেখ কৰি কয়— বন্ধৰ দিনত জাৰ্মানত কোনেও কোনো শব্দ কৰিব নোৱাৰে। কোনোবাই তেনে শব্দ কৰিলে কঠোৰ আইনৰ যোগেদি ব্যৱস্থা গ্ৰহণ কৰা হয় বুলি উল্লেখ কৰে। জাৰ্মানীৰ নিবাসী বিশিষ্ট আই টি বিশেষজ্ঞ শ্ৰীমন্ত ভূএগই বক্তৃতানুষ্ঠানটি উদ্বোধন কৰি কয়— কঠোৰ পৰিশ্ৰম, শ্ৰমৰ মৰ্যাদা, শৃংখলা জীৱনবোধৰ বাবেই জাৰ্মান আজি পৃথিৱীৰ উন্নত দেশসমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া দেশ হিচাপে পৰিচিত হৈছে। স্নেহবন্ধনৰ উপ-সভানেত্ৰী, স্কটলেণ্ডৰ নিবাসী নিৰলা বৰুৱাই পৌৰোহিত্য কৰা বক্তৃতানুষ্ঠানত অতি ৰসাল আৰু মননশীল বক্তৃতা প্ৰদান কৰি দাসে কয়— জাৰ্মানত আনকি কুকুৰৰ ভুকভুকনিও কম। তেওঁৰ অভিজ্ঞতা সন্দৰ্ভত কয় যে জাৰ্মানত থকা দীৰ্ঘসময়ছোৱাত মাথোঁ এদিনৰ বাবে ৩ ঘণ্টাৰ বাবে ইণ্টাৰনেট সেৱা ব্যাহত কৰা হৈছিল, তাকো সকলো গ্ৰাহকক কোম্পানীয়ে আগতিয়াকৈ জনাইছিল। জাৰ্মানৰ শিক্ষা, প্ৰযুক্তি, স্বাস্থ্য ইত্যাদিৰ দিশত মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে শাশ্বত কুমাৰ দাসে। পৃথিৱীৰ বিভিন্ন ঠাইৰ প্ৰায় ডেৰ শতাধিক অংশগ্ৰহণকাৰীয়ে ভাগ লোৱা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে স্নেহবন্ধনৰ সাধাৰণ সম্পাদক, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই। প্ৰায় দুঘণ্টা সময় সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰখা অনুষ্ঠানটিত স্নেহবন্ধনৰ সভানেত্ৰী, গ্ৰেট ব্ৰিটেইন লেষ্টাৰ নিবাসী মঞ্জিৰা চৌধুৰী উপস্থিত থকা এই বক্তৃতানুষ্ঠানত স্নেহবন্ধনৰ উপদেষ্টা গ্ৰেট ব্ৰিটেইনৰ নিবাসী লাহৰী বৰঠাকুৰ, ইউ এছ টি এমৰ সম উপাচাৰ্য ড০ বলেন্দ্ৰ কুমাৰ দাস, নেডাৰলেণ্ডৰ সৌৰভ কুমাৰ বৈদ্য, স্নেহবন্ধনৰ সহকাৰী সম্পাদক, দক্ষিণ আফ্ৰিকাৰ প্ৰিটোৰিয়াৰ নিবাসী বিশিষ্ট বিজ্ঞানী ড০ মুকুট গোহাঁই, ছুইজাৰলেণ্ডৰ নিবাসী বিশিষ্ট চিকিৎসক, কবি ডাঃ ডেইজী লেখাৰু, স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড০ যোগেন চন্দ্ৰ কলিতা, আমেৰিকাৰ নিবাসী ড০ ভৰত বৰুৱা, বিশিষ্ট সাংবাদিক পল্লৱ শৰ্মা, সাপতগ্ৰাম মহাবিদ্যালয়ৰ অধ্যক্ষ আৰ পি সিং, অধ্যাপক বুলজিৎ বুঢ়াগোহাঁই, এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ গাৰ্গী চক্ৰৱৰ্তীয়েও বক্তব্য আগবঢ়ায়। ইয়াৰ পূৰ্বে সমল ব্যক্তি শাশ্বত কুমাৰ দাসৰ পৰিচয় দাঙি ধৰে অধ্যাপক হৰজিন্দৰ সিঙে। শেষত শলাগৰ শৰাই আগবঢ়ায় এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যাপিকা বন্তি হাজৰিকাই।

হ'ল। ডিব্ৰুগ
হেৰাটো বে
চহৰবাসীয়
পালন কৰিব
বুৰ যায়। খ
তথৈবচ। খ
এয়া। সমগ্ৰ
কিন্তু পথৰ
ফলশ্ৰুতিত
পানী ওলাই
পানী বোৱাই
প্ৰায়সমূহ অ
ৰোড, বৈৰা
জমা হৈ আ
লাগে, গাত
জোথৰ প
লাগিলে খ
হিচাপে ম
অসম চৰক
চিটি নালা